CS (MAIN) EXAM, 2011

Serial No. | F–DTN–L–SAD–A

Page 3 is after page 4

# ASSAMESE
## (Compulsory)

*Time Allowed : Three Hours* | *Maximum Marks : 300*

## INSTRUCTIONS

*Candidates should attempt* ***ALL*** *questions.*

*The number of marks carried by each question is indicated at the end of the question.*

*Answers must be written in* ***Assamese,*** *unless otherwise directed.*

*Prescribed word-limit must be followed for Q. No. 3. The precis must be attempted* ***only*** *on the special precis sheets attached to this question paper. These precis sheets are to be carefully detached from the question paper and securely attached to the answer book.*

1. তলৰ যি কোনো এটা বিষয়ে **300** শব্দৰ ভিতৰত **এখন** ৰচনা লিখা :— 100

   (a) ৰাজনীতি আৰু ব্যক্তিগত নৈতিকতাৰ প্ৰসংগ।

   (b) সামাজিক প্ৰগতিৰ প্ৰধান অনুপ্ৰেৰণাৰ উৎস হিচাপে ধৰ্ম আৰু বিজ্ঞান।

(c) সকলোৰে কাৰণে আহাৱ ঃ আমাৰ গণতান্ত্ৰিক ব্যৱস্থাৰ কাৰণে এক প্ৰত্যাহ্বান।

(d) ক্ষিপ্ৰ-গতিৰ সংস্কৃতিয়ে হুৰমূৰকৈ কাৰ্য সম্পাদনৰ প্ৰবৃত্তি আৰু অপৰাধপ্ৰৱণতাৰ জন্ম দিয়ে।

(e) মানৱ মগজুৰ বিকল্প হিচাপে কৃত্ৰিম বুদ্ধি।

2. তলত দিয়া গদ্যাংশটো ভালদৰে পঢ়া আৰু গদ্যাংশৰ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা। তোমাৰ উত্তৰ সুস্পষ্ট, শুদ্ধ আৰু সংক্ষেপ হব লাগিব :— 6×10=60

আমি সম্প্ৰতি এক ত্বৰান্বিত গতিত সাধিত ঔদ্যোগিকৰণৰ মাজেৰে গতি কৰিছোঁ আৰু আমি আমাৰ উদ্যোগসমূহত এক বৃহৎ সংখ্যক লোকক নিয়োগ কৰিছোঁ। ভাৰতবৰ্ষত এনে এটা সাধাৰণ ধাৰণা গঢ় লৈ উঠিছে যেন লাগে যে তুমি কৰিব বিচৰা চাকৰিটো সম্পৰ্কে তুমি কিমান জানা সেইটো বৰ ডাঙৰ কথা নহয়; ডাঙৰ কথা হ'ল—তুমি এনেকুৱা কোন ব্যক্তিক জানা, যাৰ প্ৰভাৱত তুমি এটা বিশেষ চাকৰি পাব পাৰা। ভাল ফল পাবলৈ হলে গুণগত অৰ্হতা অত্যাৱশ্যকীয় বুলি মানুহে নাভাবে। আমাৰ শিক্ষা ব্যৱস্থাত উৎকৃষ্টতাৰ কৰ্ষণৰ এটা বিশেষ গুৰুত্বপূৰ্ণ স্থান আছে। এই উৎকৃষ্টতাৰ কৰ্ষণ বা অনুশীলনে যদি যঃবিহিত গুৰুত্ব লাভ নকৰে তেতিয়াহলে গুণগত অৰ্হতা বা যোগ্যতাৰ প্ৰতি অশ্ৰদ্ধা কৰা হব। ইয়ে এহাতে আমাৰ শিক্ষা পদ্ধতিক বিনষ্ট কৰিব আৰু আনহাতে সামাজিক শিক্ষাৰ প্ৰসাৰৰ কাৰণে এটা আন্দোলন গঢ়ি তোলাৰ আকাংক্ষাক উজ্জীৱিত কৰিব।

যেতিয়া কোনো এখন দলং বা এটা ৰাস্তা নিৰ্মাণ কৰিবলৈ লোৱা হয়, বালি, বিলাতী মাটি, চুন, শিল আদিৰ মিশ্ৰণৰ এটা বিশেষ অনুপাত ৰক্ষা কৰা হয়, যাতে দলং অথবা ৰাস্তা সুনিৰ্মিত

আৰু মজবুত হয়। কিন্তু আমাৰ বাস্তৱ অভিজ্ঞতাই এই সন্দৰ্ভত মানদণ্ড অৱনমিত হোৱাৰ কথা আমাক সোঁৱৰাই দিয়ে। আমি বৃহৎ নদীবান্ধত ফাট মেলা অথবা বৰষুণত ৰাস্তা খহি যোৱাৰ কথা প্ৰায়ে শুনিবলৈ পাওঁ। ই এটা গুণগত মানদণ্ড নিৰ্ণয়ৰ বিষয়; ই কেৱল ব্যৱহৃত সামগ্ৰীৰ গুণাগুণৰে নহয়, মানৱ সম্পদ আৰু মানুহৰ দায়িত্ববোধৰ গুণগত মূল্যায়নৰ লগত জড়িত বিষয়।

দুৰ্ভাগ্যক্ৰমে গণতান্ত্ৰিক পদ্ধতিয়ে কেতিয়াবা কেতিয়াবা এনে পৰিস্থিতিৰ সৃষ্টি কৰে, য'ত গুণগত যোগ্যতাক প্ৰণালীবদ্ধভাৱে অৱমাননা কৰা হয় আৰু আমাৰ দেশত গুণগত যোগ্যতাৰ কোনো মূল্য নাই বুলি মানুহে কোৱাকুই কৰা শুনা যায়। এয়ে জন মানসত এনে এটা ধাৰণা সৃষ্টি কৰে যে গুণগত যোগ্যতা, দক্ষতা আৰু নৈতিক মূল্যবোধৰ অবিহনেও ৰাজহুৱা খণ্ডত চাকৰি পাব পাৰি।

(a) কেনেকৈ ভাল চাকৰি পাব পাৰি বুলি আমাৰ দেশত মানুহে ভাবে ?

(b) কেতিয়া আমি গুণগত যোগ্যতাৰ প্ৰতি শ্ৰদ্ধা হেৰুৱাওঁ ?

(c) গুনগত যোগ্যতাৰ অৱমাননাৰ কুপ্ৰভাৱ কি হব পাৰে ?

(d) যেতিয়া মানুহৰ দায়িত্বশীলতাৰ প্ৰতি আমাৰ অশ্ৰদ্ধা হয়, তেতিয়া কি হয় ?

(e) গুণগত অৰ্হতা, নিপুণতা আৰু নৈতিক চেতনাৰ অৱমাননাৰ কাৰণ কি যেন লাগে ?

(f) উক্ত গদ্যাংশত থকা নিম্নৰেখ শব্দ অথবা বাক্যাংশবোৰৰ অৰ্থ বহলাই লিখা।

3. তলত দিয়া গদ্যাংশটো **190** ৰ পৰা **210** শব্দৰ ভিতৰত সংক্ষেপে লিখি উলিওৱা। সংক্ষেপ-লিখনৰ ওপৰত দিয়া শব্দ-সীমা মানি নচলিলে নম্বৰ কটা যাব পাৰে। মুঠ **150** টা শব্দতকৈ কম আৰু **250** টা শব্দতকৈ দীঘল সংক্ষেপ-লিখনৰ কোনো মূল্যায়ন কৰা নহবও পাৰে :— 60

যেতিয়া মোৰ দেউতা ৰাজস্থানী কাছাৰীৰ সদস্য হিচাপে নিযুক্ত হৈ পোৰবন্দৰ এৰি ৰাজকোটলৈ বদলি হৈ যায়, তেতিয়া মোৰ বয়স প্ৰায় সাত বছৰ। তাত এখন প্ৰাথমিক বিদ্যালয়ত মোক ভৰ্তি কৰোৱা হয় আৰু সেই দিনবোৰৰ কথা মোৰ এতিয়াও ভালদৰে মনত আছে। মোক পঢ়ুওৱা শিক্ষকসকলৰ নাম আৰু তেওঁলোকৰ বিশেষত্বসমূহৰ কথা এতিয়াও মই ভালদৰে কব পাৰোঁ। পোৰবন্দৰৰ নিচিনাকৈ ইয়াতো মোৰ পঢ়াশুনা সম্পৰ্কে বিশেষ মনত ৰাখিবলগীয়া একো নাই। মই মজলীয়া মেধা শক্তি সম্পন্ন ছাত্ৰ আছিলোঁ। এইখন বিদ্যালয়ৰ পৰা চহৰৰ উপকন্ঠৰ আন এখন বিদ্যালয়লৈ বদলি হলোঁ আৰু বাৰ বছৰ বয়সত আন এখন উচ্চ বিদ্যালয়ত ভৰ্তি হলোঁ। এই সময়চোৱাৰ ভিতৰত মোৰ শিক্ষক অথবা সহপাঠী বন্ধুৰ আগত কোনো মিছা কথা কোৱা মোৰ মনত নপৰে। মই লাজকুৰীয়া স্বভাৱৰ আছিলোঁ আৰু আনৰ সংগ এৰাই ফুৰিছিলোঁ। কিতাপ আৰু পাঠেই আছিল মোৰ একমাত্ৰ সংগী। বিদ্যালয়ৰ আৰম্ভনিৰ ঘণ্টা পৰাৰ লগে লগে বিদ্যালয়ত উপস্থিত হোৱা আৰু ছুটিৰ ঘণ্টা বজাৰ লগে লগে ঘৰলৈ ঢাপলি মেলাটো মোৰ নিতিদিনীয়া অভ্যাসত পৰিণত হৈছিল।আক্ষৰিক অৰ্থও বিদ্যালয় ছুটিৰ পিছত মই ঘৰলৈ দৌৰিছিলোঁ, কাৰণ মই কাৰো লগত কথা পাতিব নোৱাৰিছিলোঁ। কোনোবাই মোক লৈ ফিচিঙা ফিচিঙ কৰিব বুলিও মই ভয় খাইছিলোঁ।

মই উচ্চ বিদ্যালয়ত ভৰ্তি হোৱাৰ প্ৰথম বছৰত এটা ঘটনা ঘটে, যিটো উল্লেখযোগ্য। এবাৰ বিদ্যালয় পৰিদৰ্শক মি. গাইল আমাৰ বিদ্যালয় পৰিদৰ্শন কৰিবলৈ আহিছিল। তেওঁ বানান পৰীক্ষা কৰিবৰ বাবে আমাক পাঁচটা শব্দ দিছিল; তাৰে এটা আছিল 'kettle'। মই এই শব্দটোৰ বানান ভুলকৈ লিখিছিলোঁ। শিক্ষকে বুট জোতাৰ আগেৰে মোক কাষৰ ল'ৰাৰ ফলিৰ পৰা চাই লিখিবলৈ সংকেত দিছিল। কিন্তু মই নাচালোঁ। তেওঁ যে মোক বানানটো ওচৰৰ ছাতৰৰ ফলিৰ পৰা নকল কৰিবলৈ উদ্‌গনি দিছিল সেই কথা মই মানি লব পৰা নাছিলোঁ। কাৰণ, মই ভাবিছিলো যে আমাক নকল কৰাত বাধা দিবৰ কাৰণেহে শিক্ষক তাত উপস্থিত আছিল। ফলস্বৰূপে, মোৰ বাহিৰে আন সকলো ল'ৰাই শব্দটোৰ বানান শুদ্ধকৈ লিখিব পাৰিছিল। একমাত্ৰ ময়েই মুৰ্খ বুলি পৰিগণিত হৈছিলো। শিক্ষকজনে মোৰ এই নিৰ্বুদ্ধিতাক লৈ মাজে মাজে ভেঙুচালি কৰিছিল। কিন্তু সেয়ে মোক কোনো ধৰণে প্ৰভাৱিত কৰিব পৰা নাছিল। মই কেতিয়াও নকল কৰাৰ কৌশল আয়ত্ব কৰিবলৈ চেষ্টা কৰা নাছিলোঁ। এই ঘটনাটোৱে শিক্ষকজনৰ প্ৰতি মোৰ শ্ৰদ্ধা অকনো লাঘব কৰিব পৰা নাছিল। মোৰ প্ৰকৃতি আছিল এনেকুৱা যে মই ডাঙৰৰ ভুল ক্ৰুটী সম্পৰ্কে সম্পূৰ্ণ অন্ধ। পিছৰ কালে মই সেই শিক্ষকজনৰ কেইবাটাও বিচ্যুতি সম্পৰ্কে জানিবলৈ পাইছিলোঁ। কিন্তু তথাপিও তেওঁৰ প্ৰতি মোৰ শ্ৰদ্ধা অটুট আছিল। কাৰণ, মই ডাঙৰৰ আদেশ পালন কৰিবলৈহে শিকিছিলোঁ, তেওঁলোকৰ কাৰ্যকলাপ সমালোচনা কৰিবলৈ নহয়।

 (Contd.)

সেই সময়ৰ আন দুটা ঘটনাও মোৰ স্মৃতিপটত এতিয়াও জিলিকি আছে। বিদ্যালয়ৰ পাঠ্য পুথিৰ বাহিৰে আন কিতাপৰ প্ৰতি মোৰ ৰাপ নাছিল। কেৱল মাত্ৰ দৈনিক পাঠ আৰু ঘৰত কৰিবলৈ দিয়া কাম নিয়মিতভাৱে কৰিছিলোঁ। মই ঘৰত কৰিবলৈ দিয়া কামবোৰ সম্পূৰ্ণ কৰিছিলোঁ সচাঁ, কিন্তু প্ৰায়েই অন্যমনস্ক হৈয়ে সেই কাম কৰিছিলোঁ। তেনে ক্ষেত্ৰত পাঠ্য বহিৰ্ভূত কিতাপ পঢ়াৰ কোনো প্ৰশ্নই নুঠিছিল। কিন্তু কেনেবাকৈ এবাৰ দেউতাই কিনি অনা এখন কিতাপত মোৰ চকু পৰিল। সেইখন আছিল 'শ্ৰাৱণৰ পিতৃভক্তি নাটক' (শ্ৰাৱণৰ পিতৃ-মাতৃৰ প্ৰতি থকা ভক্তিৰ ওপৰত লিখা এখন নাটক)। মই গভীৰ মনযোগেৰে সেই নাটকখন পঢ়িলোঁ। ঠিক সেই সময়তে মানুহৰ ঘৰে ঘৰে গৈ চিত্ৰ বিক্ৰি কৰি ফুৰা এজন মানুহ আহিছিল। তেওঁ মোক দেখুওৱা এখন ছবি আছিল — শ্ৰাৱণে পাচিত ভৰাই বিৰিয়া-শিকিয়াৰে ভাৰ বান্ধি অন্ধ পিতৃ-মাতৃক তীৰ্থভ্ৰমণ কৰাবলৈ নিয়াৰ দৃশ্য। এই ছবিখনে মোৰ মনত মচিব নোৱাৰা সাঁচ বহুৱালে। মই নিজকে কলোঁ,'এয়া নকল কৰিবলগীয়া এটা উদাহৰণ।' পুত্ৰ শ্ৰাৱণৰ মৃত্যুত পিতৃ-মাতৃৰ হিয়াভঙা কান্দোনৰ ৰোল বহুদিনলৈ মোৰ মনত প্ৰতিধ্বনিত হৈ ৰৈছিল। এই শোকাকুল কান্দোনৰ ৰোলে মোক গভীৰভাৱে প্ৰভাৱান্বিত কৰিছিল আৰু সেই কান্দোনৰ কৰুণ মূৰ্ছনাকে মই দেউতাই কিনি দিয়া সংগীত যন্ত্ৰত ফুটাই তুলিবলৈ যত্ন কৰিছিলোঁ।

4. তলত দিয়া পৰিচ্ছেদটো অসমীয়ালৈ অনুবাদ কৰা :— 20

Tulasidas's imagery covers a vast range. No poet of medieval period — not even his great contemporary

Surdas — can vie with Tulasidas in respect of the infinite variety of imagery employed by him. He has collected his images from peasant life, court life, priestly environments, rural and civic life, philosophical treatises, literary classics, mythological works and folk literature. His poetry is a vast gallery of all kinds of images ranging from exquisite miniature paintings to large frescoes. Normally he likes simple and integrated images, but is quite capable of creating complex imagery as well. What he seems to abhor is a truncated image of which we can hardly search out a single example. His whole poetic creation is an endless endeavour to give a concrete tangible form to the abstract — to impart physical charms and mental qualities of human personality to an absolute concept. Actually the very conception of Personified Godhood is a grand exercise in image-making. In this context, what is of special relevance to the modern reader in Tulasidas's art is his unconventional approach to literary-cultural tradition and religion. A number of poets in other Indian languages have also produced great literature in this regard, but Tulasi appears to have surpassed them all.

5. তলত দিয়া পৰিচ্ছেদটো ইংৰাজীলৈ অনুবাদ কৰা :— 20

এইটো এটা সাধাৰণ জ্ঞানৰ ভিতৰৰ কথা যে স্ৰজন, বিকাশ আৰু সংৰক্ষণ বহুলাংশে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰকৃতিৰ স্ৰজন আৰু সংৰক্ষণত গছ্-গছনি, বননি, লতিকা আৰু ঘাঁহনিৰ বৰঙনি যথেষ্ট গুৰুত্বপূৰ্ণ। কাৰ্যতঃ মানুহৰ অস্তিত্ব গছ-লতিকা আৰু অৰণ্যৰ ওপৰত নিৰ্ভৰ কৰে। গছ-গছনি মুখ্যতঃ ভূমিৰ সংৰক্ষক। গছ-গছনিয়ে ধুমুহাৰ প্ৰৱাহ প্ৰতিহত কৰে আৰু ভূ-



(Contd.)

স্খলন প্ৰতিৰোধ কৰে। পৰ্বতৰ ভূমি-স্খলনক কেৱল গছ-গছনিয়েহে ৰুধিব পাৰে আৰু ইয়াক স্থিতাৱস্থাত ৰাখিব পাৰে। অৰণ্যই চৰাই চিৰিকৃতি আৰু পশু-পক্ষীক ৰক্ষণাবেক্ষণ দিয়ে। তাৰে ফলত পৰিবেশ সংৰক্ষণ কৰাটো সম্ভৱপৰ হৈ উঠিছে। অৰণ্য বৰষুণ হোৱাৰো কাৰণ। য'ত গভীৰ অৰণ্য আৰু অজস্ৰ গছ-গছনি থাকে, তাত যথেষ্ট পৰিমাণে বৰষুণ হয়। বৰষুণে মানুহক শস্য উৎপাদন কৰাত সহায় কৰে আৰু শস্যই মানুহক জীৱন দিয়ে। গছ পাতকে ঘাঁহ হিচাপে খাই বহুতো জন্তু জীয়াই থাকে। গছৰ পৰা পোৱা কাঠ ব্যৱহাৰ কৰি আমি ঘৰ সাজোঁ, নাওঁ, জাহাজ, যান-বাহন আৰু নানা আচবাব-পত্ৰ নিৰ্মাণ কৰোঁ। গছ আৰু ইয়াৰ ফল-পাতৰ পৰা আমি নানা ধৰণৰ ঔষধ, আঠা, কাগজ, বিবিধ প্ৰকাৰৰ তেল, দিয়াচলাই, নানা ধৰণৰ সুমিষ্ট আৰু পুষ্টিকাৰক ফল পাওঁ। গছৰ শীতল ছাঁই আমাক সূৰ্যৰ প্ৰচণ্ড তাপৰ পৰা ৰক্ষা কৰি আমাৰ শৰীৰ জুৰ কৰে। গছৰ ফুলৰ সুগন্ধি সুবাসে আমাৰ মনক সতেজ কৰি ৰাখে।

6. (a) তলত দিয়া যি কোনো পাঁচটা শব্দ/জতুৱা খণ্ডবাক্যৰ অৰ্থ লিখি প্ৰত্যেকটোৰে একোটা বাক্য ৰচনা কৰা :— 5×2=10

(i) সোৰোপা

(ii) দোকমোকালি

(iii) নিকপকপীয়াকৈ

(iv) হাবাথুৰি খা

(v) ওভটগোৰে নাচ

(vi) বাট কুৰি বা

(vii) বিৰ দি বাট নোপোৱা

(viii) আমন জিমন

(ix) হাত দীঘল

(x) সোপাটিলা

(b) তলত দিয়া যি কোনো **পাঁচটা** দ্ব্যৰ্থক শব্দ বাচি লৈ প্ৰতিটোৰে অৰ্থৰ ভেদ দেখুওৱা। ভেদ স্পষ্ট কৰিবলৈ দুটা বা তিনিটা শব্দৰ বাক্যাংশ দিলেই হব :— 5×2=10

(i) ন

(ii) শ

(iii) বেচ

(iv) ভূত

(v) বল

(vi) ৰং

(vii) বৰণ

(viii) গুণ

(ix) বাৰ

(x) বচন

(c) তলত দিয়া যি কোনো **চাৰিটা** প্ৰবচনৰ ভাব সম্প্ৰসাৰণ কৰা :— 4×5=20

(i) বৰ মানুহৰ দায়, ওপৰে ওপৰে যায়,
সৰু মানুহৰ দায়, খাজে খাপে খায়।

(ii) আছে গৰু, নাবায় হাল,
হোৱাতকৈ নোহোৱাই ভাল।

(iii) যদিও হয় মুনিজন,
তেওঁ সোধে তিনিজন।

(iv) হাঁহেৰেও ৰাজি, মাহেৰেও ৰাজি।

(v) যি মূলা বাঢ়ে তাৰ দুপতীয়াতে চিন।

(vi) লুইতেহে জানে বঠা বুকুত কিমানলৈ বহে।

(vii) আইৰো বাৰ্তা, গঙ্গাৰো যাত্ৰা।

(viii) কোনো মৰে হাড়ে হাড়ে,
কোনো মৰে মঙহৰ ভাৰে।

Sr. No. ______

**F–DTN–L–SAD–A**

अपना अनुक्रमांक इन पत्रकों पर न लिखें

DO NOT WRITE YOUR ROLL NO. ON THESE SHEETS

# ASSAMESE
## (Compulsory)

सार लेखन के लिए विशेष पत्रक

**SPECIAL SHEETS FOR PRECIS**

इस पत्रक के दोनों ओर लिखिए। प्रत्येक खण्ड में एक शब्द और प्रत्येक पंक्ति में पांच शब्द लिखिए। अपने उद्धरण में सामान्य रूप से विराम आदि चिन्ह लगाइए और यदि आवश्यक हो तो प्रत्येक पैराग्राफ के अन्त में एक पंक्ति खाली छोड़ते हुए इसे पैराग्राफों में विभक्त कीजिए। यदि चाहें तो उत्तर-पुस्तिका के साधारण कागज पर पहले एक कच्चा प्रारूप तैयार कर सकते हैं। अपनी उत्तर-पुस्तिका दे देने से पहले कच्चे कार्य को आर-पार पंक्ति डालकर काट दिया जाना चाहिए। आप सारपत्रक को अपनी उत्तर-पुस्तिका के अन्दर सुरक्षित रूप से बांध दीजिए।

**Use both sides of this sheet. Write one word in each division and five words in each line. Punctuate your passage in the usual way and divide it into paragraphs, if necessary, leaving a line blank at the end of each paragraph. You may make a rough copy first, if you so wish, on ordinary paper in the answer-book. The rough work should be scored through before you hand over your answer-book. You should fasten the precis sheet securely inside your answer-book.**

| शीर्षक<br>Title | | | | | इस हाशिए<br>में न लिखें<br>Do not write on this margin |
|---|---|---|---|---|---|
| | | | | | |
| | | | | | |
| | | | | | |
| | | | | | |
| | | | | | |
| | | | | | |
| | | | | | |
| | | | | | |
| | | | | | |
| | | | | | |
| | | | | | |
| | | | | | |
| | | | | | |
| | | | | | |

[कृ.पृ.उ./P.T.O.]

| | | | | | |
|---|---|---|---|---|---|
| | | | | | 70 |
| | | | | | 80 |
| | | | | | 90 |
| | | | | | 100 |
| | | | | | 110 |
| | | | | | 120 |
| | | | | | 130 |
| | | | | | 140 |
| | | | | | 150 |
| | | | | | 160 |
| | | | | | 170 |
| | | | | | 180 |

| | | | | | |
|---|---|---|---|---|---|
| | | | | | 190 |
| | | | | | |
| | | | | | 200 |
| | | | | | |
| | | | | | 210 |
| | | | | | |
| | | | | | 220 |
| | | | | | |
| | | | | | 230 |
| | | | | | |
| | | | | | 240 |
| | | | | | |
| | | | | | 250 |
| | | | | | |
| | | | | | 260 |
| | | | | | |
| | | | | | 270 |
| | | | | | |
| | | | | | 280 |
| | | | | | |
| | | | | | 290 |
| | | | | | |
| | | | | | 300 |
| | | | | | |